জাতিৰ সেৱাত উৎসৰ্গিত (৬১) বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainikasam.in

। ৫৩ সংখ্যা, ১০ আহিন, শনিবাৰ, ১৯৪৭ শক। DAINIK ASAM : Assamese Daily। VOL. 61 NO. 53। DIBRUGARH, SATURDAY, SEPTEMBER 27, 2025 । পৃষ্ঠা ১৬ (Pages

অনিৰ্দিষ্ট কাললৈকে প্ৰতিবাদ কৰি যাব বুলি সিদ্ধান্ত গ্ৰহণ কৰি নিশাৰ ভাগতো বিভিন্ন শ্ল'গানেৰে প্ৰতিবাদ অব্যাহত ৰাখিছে। বিয়লি প্ৰতিবাদস্থলীত সীমান্ত দণ্ডাধীশ ৰাতুল ৰয় উপস্থিত হৈ প্ৰতিবাদকাৰীৰে পুনৰ আলোচনাত মিলিত হৈছিল যদিও পুলিসমূহ উঠাই নিয়াত অসমৰ্থ হোৱাৰ বাবে এই আলোচনাও ব্যৰ্থ হয়।

## ...পৰ্যস্ত ...অঞ্চলবাসী

### ...কাৰ ফেন হ'ল মন্ত্ৰীৰ প্ৰতিশ্ৰুতি

...নৰ ২৮ ডিচেম্বৰত কৃষি ...খা বোকাখাতৰ বিধায়ক ...ৰা উক্ত কেন্দ্ৰটো ভ্ৰমণ ...থটোৰ ক্ষেত্ৰত অতি ...ল যাৱতীয় ব্যৱস্থা গ্ৰহণৰ ...ত প্ৰদান কৰিছিল যদিও ...মাত্ৰ প্ৰতিশ্ৰুতিয়ে হৈ ... বৰ্তমান এইক্ষেত্ৰত ... ব্যৱস্থা গ্ৰহণ নকৰিলে ...লীয়ে। ইয়াৰ উপৰি ...যাতায়াতৰ সুচল হোৱাকৈ ...ৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি ... কাম-কাজ আগবঢ়োৱা ...২০১৩-১৮ চনলৈ সেই

কুৰুৱাবাহী পঞ্চায়তখনেও পথটোৰ ক্ষেত্ৰত কোনো পদক্ষেপ আগনবঢ়ালে, ফলত অজিও অত্যন্ত বিধ্বস্ত অৱস্থাতেই থাকি গ'ল পথটো। শেহতীয়াকৈ বানৰ পাছত পথটি অধিক শোচনীয় হৈ পৰিছে আৰু এইক্ষেত্ৰত সোনকালেই কৃষকসকলৰ সুবিধাৰ্থে উচিত পদক্ষেপ গ্ৰহণ কৰিবলৈ আৰু পূৰ্বৰ প্ৰতিশ্ৰুতি মনত পেলাবলৈ কৃষিমন্ত্ৰী অতুল বৰালৈ আহ্বান জনাইছে ভুক্তভোগী স্থানীয় ৰাইজে।

## কানৈ মহাবিদ্যালয়ৰ জনগোষ্ঠীয় গৱেষণা আৰু উন্নয়ন কেন্দ্ৰৰ বক্তৃতানুষ্ঠান

দৈনিক অসমৰ প্ৰতিনিধি

**ডিব্ৰুগড় ২৬ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ জনগোষ্ঠীয় গৱেষণা আৰু উন্নয়ন কেন্দ্ৰৰ উদ্যোগত আৰু ৰাজনীতিবিজ্ঞান বিভাগ, হিন্দী বিভাগ, দৰ্শন বিভাগ আৰু অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত ২৪ ছেপ্টেম্বৰত মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত এক বিশেষ বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। অধ্যাপিকা ডঃ লখিমা দেউৰীয়ে আঁত ধৰা অনুষ্ঠানটোত আদৰণী ভাষণ প্ৰদান কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ডঃ শইকীয়াই জনগোষ্ঠীয় গৱেষণা আৰু উন্নয়ন কেন্দ্ৰৰ উক্ত প্ৰচেষ্টাক শলাগ লোৱাৰ লগতে অনাগত দিনসমূহত কেন্দ্ৰটোৱে আৰু অধিক সক্ৰিয়ভাৱে বিভিন্ন প্ৰকাৰৰ অনুষ্ঠানৰ জৰিয়তে কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক ক্ষেত্ৰখনলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই যাব বুলি মত প্ৰকাশ কৰে। উদ্বোধনী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ অভিজিত বৰুৱাই। উদ্বোধনী ভাষণ প্ৰসংগত ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত জনগোষ্ঠীয় গাঁথনি, সংবিধানৰ ব্যৱস্থাৱলী আৰু বৰ্তমান সময়ত জনগোষ্ঠীসমূহৰ মাজত সচৰাচৰ উদ্ভৱ হোৱা গোষ্ঠীগত সচেতনতাই জনজাতিকৰণৰ প্ৰক্ৰিয়াক অতি জটিল কৰি তুলিছে বুলি মত প্ৰকাশ কৰে। উক্ত অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে দেইঠাৰ চৰকাৰী মডেল মহাবিদ্যালয়ৰ ৰাজনীতিবিজ্ঞান বিভাগৰ অধ্যাপিকা ডঃ বিজেয়েতা দেউৰীয়ে। ডঃ দেউৰীয়ে অসমৰ প্ৰেক্ষাপটত জনগোষ্ঠীয় ৰাজনীতিৰ পৰিৱৰ্তন শীৰ্ষক এক মননশীল বক্তৃতা প্ৰদান কৰে। ৰাজনীতিবিজ্ঞান বিভাগৰ অধ্যাপিকা তথা জনগোষ্ঠীয় গৱেষণা আৰু উন্নয়ন কেন্দ্ৰৰ সমন্বয়ক ডঃ নিৰ্মালি পেগুৱে কানৈ মহাবিদ্যালয়ৰ এই কেন্দ্ৰটোৰ চমু ইতিহাস আৰু ইয়াৰ কাৰ্যক্ৰমণিকাৰ বিষয়ে উপস্থিত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক অৱগত কৰে। উক্ত অনুষ্ঠানত সমল ব্যক্তিগৰাকীৰ ভাষণৰ পাছত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত প্ৰশ্নোত্তৰ শিতানৰ জৰিয়তে বিভিন্ন দিশৰ ওপৰত অভিজ্ঞ ব্যক্তিসকলে আলোকপাত কৰে। অনুষ্ঠানত অৰ্থনীতিবিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপক ডঃ পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ডঃ জ্যোতি প্ৰসাদ ফুকন, পৰীক্ষাসমূহৰ নিয়ন্ত্ৰক ডঃ মৃদুল শৰ্মাকে প্ৰমুখ্য কৰি উদ্যোক্তা বিভাগসমূহৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী অংশগ্ৰহণ কৰে। শেষত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপিকা ডঃ লখিমা দেউৰীয়ে।

